# অসম মালা প্ৰকল্প

**প্ৰকল্পৰ নাম ঃ**

Improvement and upgradation of road from Majuli to Bhogalmara via Dhunaguri under Asom Mala (From ch.0+000 to ch. 19+240)

অসম মালাৰ অধীনৰ মাজুলীৰ পৰা ধূনাগুৰি হৈ ভোগালমাৰালৈ (চেইনেজ ০+০০০ৰ পৰা ১৯+২৪০লৈ) পথৰ উন্নতিসাধন আৰু উন্নীতকৰণ

বিস্তৃত প্ৰকল্প প্ৰতিবেদন

(খিলঞ্জীয়া লোকৰ পৰিকল্পনা)

Detiled Project Report

(Indegenous Peoples Plan)

**কাৰ্যবাহী সাৰাংশ ঃ**

ক) আৰম্ভণি ঃ মাজুলী (চেইনেজ ০+০০০ৰ পৰা ৫+২০০) আৰু লখিমপুৰ (চেইনেজ ৫+২০০ৰ পৰা ১৯+২৪০ জিলাৰে অতিক্ৰম কৰি যোৱা কৰিডৰ নং A31 মাজুলীৰ পৰা ধুনাগুৰি হৈ ভোগালমাৰালৈ ১৯.২৪০কি. মি. দৈৰ্ঘ্যৰ প্ৰস্তাৱিত পথ। অংশ 'অসম মালা'ৰ ৪নং গোটৰ অধীনত শ্ৰেণীভুক্ত কৰা হৈছে। প্ৰকল্প পথটোৰ আৰম্ভণি অংশ (চেইনেজ ০+০০০) হৈছে মাজুলী জিলাৰ গড়মূৰ পথৰ বালিগাঁৱৰ সমীপৰ বালিচাপৰি ডাকঘৰৰ সন্মুখত আৰু শেষ অংশ (চেইনেজ ১৯+২৪০) হৈছে ভোগালমাৰা গাঁৱৰ SH-43ৰ জংছনত। প্ৰকল্প পথটো লুইত লৈ আৰু সোঁৱণশিৰি লৈ অতিক্ৰম কৰি গৈছে। উপ-প্ৰকল্পৰ পথ নিৰ্মাণত অনুভূমিক আৰু উলম্ব প্ৰাপ্তিককৰণ উন্নয়নৰ ক্ষেত্ৰত জ্যামিতিক উন্নয়ন সাধন কৰা হ'ব। লগতে প্ৰয়োজনীয়তাৰ সম্ভাৱনীয়তাৰ ওপৰত নিৰ্ভৰ কৰি পকী বান্ধ (Paved shoulder) থকা বা নথকা ২ লেনলৈ বহল কৰা হ'ব। মূলত ঃ কিছুমান অংশত পুনৰ সংহতি বা নতুন প্ৰান্তিকৰণৰ সৈতে বৰ্তমানৰ প্ৰান্তিকৰণৰ অনুসৰণ কৰি পথসমূহ উন্নত কৰিব লাগে। য'তেই প্ৰয়োজন হয়, তাতেই নতুন ৰিইনফ'ৰ্চড কংক্ৰিট কনষ্ট্ৰাকশ্যন (আৰ চি চি) দলং নিৰ্মাণ কৰা হ'ব আৰু বৰ্তমানৰ গাঁথনিগতভাৱে দুৰ্বল দলংসমূহ পুৰুদ্ধাৰ কৰা হ'ব। লুইত নদী আৰু সোঁৱণশিৰি নদীৰ (চেইনেজ ৫+২০০ৰ পৰা ৮+২৪০) মাজৰ অংশটো ভৰপক বাৰিষাৰ সময়ত প্ৰায় ২ মাহ ধৰি ২ মিটাৰৰ পৰা ৩ মিটাৰ পৰ্যন্ত পানীৰ তলত ডুব গৈ থাকে, যাৰ ফলত পথৰ বাবে ওখ মথাউৰিৰ প্ৰয়োজনীয়তা আহি পৰে। আনহাতে, লুইত নদীত অস্থায়ী কাঠৰ দলং থকাৰ বিপৰীতে সোঁৱণশিৰি নদীত কোনো ধৰণৰ দলং, নাই। বৰ্তমান মানুহে ফেৰী সেৱাৰ যোগেদি এই নদীসমূহ পাৰ হৈ অহা-যোৱা কৰে। ১৯.২৪ কি. মি. সম্পূৰ্ণ প্ৰকল্পটোৰ ৰাস্ত কেৱল চেইনেজ ০+০০০ৰ পৰা ২+৭৯০ আৰু ১০+৩২২ৰ পৰা ১৯+২৪০ লৈহে উপলব্ধ।

**খ)** ১৯.২৪ কিঃ মিঃ দৈঘ্যৰ প্ৰস্তাৱিত প্ৰকল্প পথটি ১৪খন গাঁৱৰ মাজেৰে পাৰ হৈ যাব। গাঁওসমূহ হ'ল—এলেঙি গাঁও (চেইনেজ ০+০০০ৰ পৰা ০+৩০০), চিলাক'লা চাপৰি (চেইনেজ ৩+৩০০ৰ পৰা ২+৪০০), চিলাক'লা কৈৱৰ্ত (চেইনেজ ২+৪০০ৰ পৰা ৩+৬০০), মালাপিন্ধা চিলাক'লা (চেইনেজ ৩+৬০০)ৰ পৰা ৫+২০০), কনিয়াজান এক নং আৰু ২ চেইনেজ ৫+২০০ৰ পৰা ৬০০), আউনীবাৰী নং ১ চেইনেজ ৬+৬০০)ৰ পৰা ৪+৩৫০), ধূনাবাৰী গাঁও (চেইনেজ ১০+০০০)ৰ পৰা ১১+৩২০), খনিকৰ (চেইনেজ ১১+৩২০ৰ পৰা ১২+১২০), ভাগৰা দেউৰ (চেইনেজ ১২+১২০ৰ পৰা ১৩+৬৪০) আধাখনা দেউৰী (চেইনেজ ১৩+৬৪০)ৰ পৰা ১৪+৮৮০), খগুখোৱা গাঁও (চেইনেজ ১৪+৮৮০)ৰ পৰা ১৫+৯০০), খোৱা চাপৰি গাঁও (চেইনেজ ১৫+৯০০ৰ পৰা ১৬+৮০০), কাঢ়ি পুখুৰী (চেইনেজ ১৬+৮০০ৰ পৰা ১৭+৪৬০) আৰু বঙালমৰা থৈঙাল (চেইনেজ ১৭+৪৬০ৰ পৰা ১৯-২৪০)।

**গ)** প্ৰকল্প পথটোত বেছিভাগেই ২ লেন বিন্যাস আছে। ৰাইট অৱ ৱে' (Row) চেইনেজ ০+০০০ৰ পৰা ২+৭৯০লৈকে ২৪m আৰু Row চেইনেজ ১০+৩২২ৰ পৰা ১৯+২৪৪ৰ ৮mৰ পৰা ৬০mৰ ভিতৰত পৰিৱৰ্তিত হয়। প্ৰস্তাৱিত Row ১৫mৰ পৰা ৮০mৰ ভিতৰত পৰিৱৰ্তিত হয়। বৰ্তমান থকা পথটোৰ যান-বাহন চলাচলৰ প্ৰস্থ ৩.৫ মিটাৰ আৰু ১ৰ পৰা ৩.৫ মিটাৰ পৰিৱৰ্তিত প্ৰস্থৰে বান্ধটো মাটিৰ সামগ্ৰীৰে নিৰ্মাণ কৰা হৈছে। লগতে বেছিভাগ স্থানত বান্ধৰ প্ৰস্ত ২.৫ মিটাৰ, অৱস্থা সাধাৰণতে বেয়াৰ পৰা বেয়া। ইয়াৰ অন্যান্য শ্ৰেণীৰ পথৰ সৈতে দুটা ডাঙৰ সংযোগস্থল আছে। প্ৰকল্প পথটোৰ লগকত এখন ডাঙৰ আৰু দুখন সুৰু দলং আছে। প্ৰকল্প পথত থকা কালভাৰ্টৰ সংখ্যা হৈছে চাৰিটা (সকলো পাইপ কালভাৰ্ট)। প্ৰকল্প পথত পুখুৰী/নলাৰ দৰে জলভাণ্ডাৰ (৬৭)টা আছে। প্ৰকল্প পথটিত বিদ্যালয়, মন্দিৰ আৰু চৰকাৰী মালিকানাধীন ৰাজহুৱা ভৱন আদি কমন প্ৰপাৰ্ট ৰিছ'ৰ্চেছ (২৪)টা পৰিলক্ষিত হয়।

**ঘ) নীতি আৰু আইনী কাঠামো ঃ** ভাৰতীয় সংবিধানে ইয়াৰ ৩৪২নং অনুচ্ছেদত বিভিন্ন কাৰকৰ বিবেচনা কৰি এটা অনুসূচিত জাতি (ST) চিনাক্ত কৰিছে যেনে - (১) প্ৰাচীন বৈশিষ্ট্য, (২) স্বতন্ত্ৰ বৈশিষ্ট্য, (৩) ভৌগোলিক বিচ্ছিন্নতা আৰু (৪) সামাজিক আৰু অৰ্থনৈতিক অনগ্ৰসৰতা। জনজাতি চিনাক্তকৰণ এটা ৰাষ্ট্ৰীয় বিষয়। সেইদৰে এটা জনগোষ্ঠীৰ শ্ৰেণীবিভাজন নিজ নিজ ৰাজ্যৰ সেই জনগোষ্ঠীটোৰ মৰ্যাদাৰ

ওফৰত নিৰ্ভৰ কৰিব। ইয়াৰোপৰি সংবিধানৰ পঞ্চম আৰু ষষ্ঠ অনুসূচীত দেশৰ নিৰ্বাচিত অঞ্চলসমূহত জনজাতীয় লোকসকলৰ বাবে বিশেষ ব্যৱস্থা কৰা হৈছে। জনজাতীয় লোকসকলৰ প্ৰতি নিষ্ঠাৱান মনোযোগ নিশ্চিত কৰাৰ বাবে আইনী কাঠামো প্ৰদান কৰা কেইবাটাও নীতি আছে। জনজাতীয় লোকসকলৰ বাবে প্ৰাসংগিক আহ্ন, নীতি, নিয়ম আৰু নিৰ্দেশনাসমূহ হ'ল—১। ৰাষ্ট্ৰীয় জনজাতীয় নীতি (২০০৬) আৰু ২। বন অধিকাৰ আইন (এফ আৰ এ) ২০০৬ আৰু ৩। এছিয়ান আন্তঃগাঠনি বিনিয়োগ বেংকৰ (এ আই আই বি) পৰিৱেশ আৰু সামাজিক কাঠামোৰ (ই এছ এফ) পৰিৱেশ আৰু সামাজিক মানদণ্ডত (ই এছ এছত)।

**ঙ) পদ্ধতি আৰু কাৰ্যপ্ৰণালী ঃ** AIIBESFৰ মাপকাঠী অনুসৰি উপ-প্ৰকল্প পথ ক'ভিডত ক্ষতিগ্ৰস্ত খিলঞ্জীয়া লোকসকলক চিনাক্ত কৰাহৈছে। ১। ভূমি আৰু প্ৰাকৃতিক সম্পদৰ ব্যৱস্থা আৰু প্ৰৱেশৰ প্ৰয়োগত অধিকাৰ, ২। আৰ্থ -অৰ্থনৈতিক অৱস্থা ৩। সাংস্কৃতিক আৰু সাম্প্ৰদায়িক অখণ্ডতা আৰু ঐতিহ্য ৪। স্বাস্থ্য, শিক্ষা, জীৱিকা ব্যৱস্থা আৰু ৫। থলুৱা জ্ঞানৰ ওপৰত ভিত্তি কৰি জনজাতীয় লোকসকলৰ প্ৰত্যক্ষ আৰু পৰোক্ষ প্ৰভাৱসমূহ চিনাক্ত কৰা হৈছে আৰু এই বিৰূপ প্ৰভাৱসমূহৰ সমাধানৰ বাবে উপযুক্ত আইপিপি প্ৰস্তুত কৰা হৈছে। তথ্য, বাতৰি সংগ্ৰহ আৰু তথ্য বিশ্লেষণৰ বাবে গ্ৰহণ কৰা পদ্ধতি আৰু কাৰ্যপ্ৰণালী পৰিমাণত আৰু গুণগত দুয়োটা প্ৰক্ৰিয়াৰে গঠিত। সামাজিক প্ৰভাৱ মূল্যায়ান আৰু পুনৰ সংস্থাপন পৰিকল্পনা উপাদানৰ তিনিটা মূল উপাদান আছে প্ৰকল্পৰ সম্ভাৱনীয়তা অধ্যয়নৰ অংশৰূপে আগতীয়াকৈ পৰীক্ষা কৰা, সামাজিক প্ৰভাৱৰ মূল্যায়ন, লোকপিয়ল আৰু সম্ভাব্যভাৱে প্ৰভাৱিত জনসংখ্যাৰ ভিত্তিত আৰ্থ-সামাজিক জৰীপ আৰু পুনৰ সংস্থাপন কাৰ্য পৰিকল্পনা কৰা। প্ৰকল্প আৰু প্ৰকল্প প্ৰভাৱিত এলেকাৰ বাবে সংগ্ৰহ কৰা গৌণ তথ্য নিৰ্ভৰযোগ্য অনুসংগিক উৎসৰ পৰা লোৱা হৈছে যেনে গ্ৰামোন্নয়ন মন্ত্ৰালয়, জনজাতি পৰিক্ৰমা মন্ত্ৰালয়, ভাৰত চৰকাৰ, অসম চৰকাৰ, ভাৰতৰ লোক পিয়ল, PIAজিলাৰ জিলা লোকপিয়ল প্ৰতিবেদন (মাজুলী আৰু লখিমপুৰ), জিলা (মাজুলী আৰু লখিপুৰ), জিলা ৰাজহ বিভাগ (মাজুলী আৰু লখিমপুৰ) আৰু প্ৰকল্প কৰিড'ৰ সম্বন্ধে আৰ্থ-সামাজিক বৈশিষ্ট্যৰ ওপৰত প্ৰকাশিত অন্যান্য তথ্য। প্ৰকল্প এলেকাৰ আৰ্থ সামাজিক প্ৰফাইল বুজিবলৈ আইনী আৰু নীতিগত কাঠামো, ভূমি অধিগ্ৰহণ আৰু ক্ষ তিপূৰণ পদ্ধতি আদি বুজিবলৈ সহায়ক হ'বলৈ তথ্য সংগ্ৰহ কৰা হৈছে।

**চ) জনজাতীয় ভূমি অধিগ্ৰহণ, হস্তান্তৰ প্ৰক্ৰিয়া ঃ**

অসমৰ খিলঞ্জীয়া জনজাতীয় লোকসকলৰ ভূমি Nom-Cadastral) ভূমি, য'ত অসমে Non-Cadastral ভূমিৰ বাবে ভূমি হস্তান্তৰ প্ৰক্ৰিয়া নিৰ্ধাৰণ কৰিছে। অসমত অনুসূচিত জনজাতীয় লোকৰ ব্যক্তিগত মালিকাধীন ভূমি আছে। অজনজাতীয় লোক বা জনজাতীয় লোকৰ ব্যক্তিগত মালিকাধীন ASRIPৰ বাবে ব্যক্তিগত মাটিৰ প্ৰয়োজনীয়তাই অসমৰ প্ৰত্যক্ষ কৰ নীতি (Direct Purchase Policy of Assam) মানি চলিব। ইয়াৰোপৰি কিছুমান একচনীয়া ভূমি আছে, য'ত ভূমিৰ অধিকাৰ অনুসূচিত জনজাতিৰ ব্যক্তিৰ আৰু চৰকাৰী নিৰ্দেশনা অনুসৰি একচনীয়া ভূমি ম্যাদি পট্টালৈ ৰূপান্তৰিত হ'ব (মালিকীস্বত্বৰ ভূমি)। মালিকীস্বত্ব ভূমিৰ বাবে যদি প্ৰতৰক্ষ ক্ৰয় নীতি বিফল হয়, তেনে ভূমি RFCTLARR আইন ২০১৩ৰ অধীনত প্ৰস্তুত কৰা অসম উচিত ক্ষতিপূৰণৰ অধিকাৰ আৰু স্বচ্ছতাৰে ভূমি অধিগ্ৰহণ। পুনৰ্বাসন আৰু পুনৰ সংস্থাপন (RFCTLARR) নিয়মাৱলী ২০১৫ৰ জৰিয়তে অধিগ্ৰহণ কৰা হ'ব।

**ছ) সামাজিক প্ৰভাৱ মূল্যায়ন ঃ** প্ৰকল্পৰ প্ৰভাৱ ২৮২টা জনজাতীয় পৰিয়ালে বহন কৰিব যিটো ক্ষতিগ্ৰস্ত গাঁওসমূহৰ মুঠ পৰিয়ালৰ সংখ্যাৰ ৪৮.৭৯ শতাংশ। ২৮২টা প্ৰকল্প স্থানান্তৰিত ST পৰিয়ালৰ ভিতৰত ১৪টা পৰিয়ালৰ ভূমিত প্ৰভাৱ পৰিছে। পাঁচখন গাঁৱত STজনসংখ্যাৰ শতকৰা হাৰ সৰ্বাধিক মালাপিন্ধা চিলাকলা (৯৮.৬৪%), কনিধাজান নং ১ আৰু (৯৭.৬৯%) আউনীবাৰী নং ১ (৯৬.৮৯%), চিলাকলা চাপৰি (৯৫.৮৯%) আৰু ধুনাবাৰী গাঁও (৮৬.৯৬%। সেই সূত্ৰে ১৪খন প্ৰকল্প প্ৰভাৱিত গাঁৱৰ ভিতৰত এই পাঁচখন গাঁৱৰ খিলঞ্জীয়া

জনসংখ্যাই প্ৰকল্পটোৰ সৰ্বোচ্চ প্ৰভাৱ বহন কৰিব।

জ) ২৮২টা প্ৰকল্প স্থানান্তৰিত অনুসূচিত জনজাতিৰ পৰিয়ালৰ ভিতৰত ১৪যা মাটিত প্ৰভাৱ পৰিছে, ১১৮টাৰ আৱাসিক কাঠমোত প্ৰভাৱ পৰিছে, ৪৩টাৰ বাণিজ্যিক কাঠামোত প্ৰভাৱ পৰিছে আৰু ৩টাৰ মিশ্ৰিত ব্যৱস্থাৰৰ কাঠামোত প্ৰভাৱ পৰিছে। ইয়াৰোপৰি পথ উন্নয়নৰ বাবে ১০৪টা কাঠামোৰ সীমা দেৱালৰ প্ৰভাৱ পৰিব। ১৩৩৭টা অনুসূচিত জনজাতিৰ লোক প্ৰকল্পৰ দ্বাৰা প্ৰত্যক্ষভাৱে প্ৰভাৱিত হ'ব।

ঝ) প্ৰকল্প কৰিডৰ ST জনসংখ্যাই নিজকে এটা সুকীয়া খিলঞ্জীয়া সাংস্কৃতিক গোটৰ সদস্যৰূপে চিনাকি দিয়ে আৰু আন সকলোতে এই পৰিচয়ক স্বীকৃতি দিয়ে প্ৰকল্প অঞ্চলৰ ভৌগোলিকভাৱে সুকীয়া বাসস্থান বা পূৰ্বপুৰুষৰ ভুখণ্ডৰ সৈতে আৰু এই বাসস্থান তথা ভূখণ্ডসমূহৰ প্ৰাকৃতিক সম্পদৰ সৈতে সামূহিক সংলগ্নতা, আৰু তেওঁলোকে এতিয়াও প্ৰভাৱশালী সমাজ আৰু সাংস্কৃতিৰ পৰা পৃথক প্ৰথাগত সাংস্কৃতিক, অৰ্থনৈতিক, সামাজিক বা ৰাজনৈতিক প্ৰতিষ্ঠানসমূহ অনুসৰণ কৰে। প্ৰকল্পটোৰ বিৰূপ প্ৰভাৱৰ পৰিমাণ, বিশেষকৈ অনাকংক্ষিত পুনৰ সংস্থাপন, আৰু খিলঞ্জীয়া লোকৰ উপস্থিতিৰ বাবে প্ৰকল্পটোক 'ক' শাখাৰূপে শ্ৰেণীভূক্ত কৰা হৈছে।

(ঞ) প্ৰকল্পটোৰ দ্বাৰা ST সকলৰ ৪৩০টা সংস্থান প্ৰভাৱিত হৈছে। ইয়াৰে ২১৯টা আৱাসিক সংস্থান, ৮৪টা বাণিজ্যিক সংস্থান আৰু ৭টা বাণিজ্যিক তথা আৱাসিক সংস্থান। ইয়াৰোপৰি পথ উন্নয়নৰ বাবে ১২০টা সংস্থানৰ সীমা দেৱালত প্ৰভাৱ পৰিব। মুঠ ৪৩০টা প্ৰভাৱিত ব্যক্তিগত সংস্থানৰ ভিতৰত ২৩টা (৫.৩৫%) স্থায়ী আকৃতিৰ, ১১০টা (২৫.৫৮%) অৰ্ধস্থায়ী আকৃতিৰ আৰু বাকী ২৯৭টা (৬৯.০৭%) অস্থায়ী আকৃতিৰ। এইটো লক্ষণীয় যে ১২০টা ব্যক্তিগত মালিকানাধীন সংস্থানৰ ভিতৰত (কেৱল সীমাৰ দেৱালৰ প্ৰভাৱ পৰা ক্ষেত্ৰসমূহ বাদ দি) ২৯৮টা (৯৬.১৩%) সংস্থান ৪০ শতাংশতকৈ অধিক প্ৰভাৱিত হৈছে, আনহাতে, মাত্ৰ ৫টা (১.৬১%) সংস্থান ৩০-৪০%ৰ ভিতৰত ৬টা সংস্থান ১০-৩০%ৰ ভিতৰত আৰু মাত্ৰ এটা সংস্থান ১০%তকৈ কমকৈ প্ৰভাৱিত হৈছে।

ট) প্ৰল্পটোৰ বিৰূপ প্ৰভাৱ প্ৰকল্প প্ৰভাৱিত লোকৰ (পিএপি) জীৱিকাৰ ওপৰত পূৰ্বানুমান কৰা হৈছে। স্থানান্তৰিত লোকৰ ২৬.৮০% লোক কৃষি কাৰ্যত নিয়োজিত হোৱাৰ বিপৰীতে ৯.৫৪% কৃষি শ্ৰকিক আৰু ১.৩৭% অ-কৃষি (Non-Agricultural) শ্ৰমিক, জনজাতীয় লোকসলকলৰ ৫.১৫% লোক ব্যৱসায়ত জড়িত আৰু ২.২৩% লোক চৰকাৰী কৰ্ম কৰি আছে। যিহেতু স্থানান্তৰিত জনজাতীয় লোকসকলক বহুখিনিৰ জীৱিকা কৃষি বা কৃষি শ্ৰমিক, গতিকে প্ৰকল্পটোৰ প্ৰভাৱ ৩৬.৩৪% লোকে প্ৰত্যক্ষভাৱে অনুভৱ কৰি যাব জীৱিকা প্ৰত্যক্ষ বা পৰোক্ষভাৱে কৃষিৰ সৈতে জড়িত।

**ঠ) তথ্য প্ৰকাশ পৰামৰ্শ আৰু অংশগ্ৰহণ ঃ** আলোচনা হৈছে এক নিৰন্তৰ দ্বিমুখী প্ৰক্ৰিয়া (Two-way), য'ত উন্নয়মূলক সমস্যা আৰু প্ৰয়োজনীয়তাসমূহ চিনাক্ত কৰা সমাধান কৰা প্ৰক্ৰিয়া তথ্য ব্যৱস্থাসমূহৰ বিষয়ে জনসাধাৰণৰ বুজাবুজিৰ প্ৰসাৰ জড়িত হৈ আছে। প্ৰকল্পটোৰ সামাজিক মূল্যায়ন প্ৰক্ৰিয়াৰ এক অবিচ্ছেদ্য অংশৰূপে অৰ্থপূৰ্ণ পৰামৰ্শ গ্ৰহণ কৰা হৈছে। ১৬ (ST পৰামৰ্শকে ধৰি) ৰাজহুৱা পৰামৰ্শ হৈ গৈছে। ইয়াৰে ভিতৰত ৩টা FGD জনজাতীয় মনহিলাৰ সৈতে কৰা হৈছে।

ড) মাজুলীৰ পৰা ভোগললমাৰালৈ পথ ক'ৰিডৰ A-31ৰ উন্নতি সাধন কৰিলে অকল মাজুলী নদীদ্বীপ আৰু লখিমপুৰ জিলাৰ মাজত পথ সংযোগ স্থাপন কৰাতেই সহায়ক নহয়, বৰঞ্চ ইয়াৰ দ্বাৰা ফেৰী সেৱাৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস পাব। ইয়াৰোপৰি ই কৃষক আৰু ঘৰুৱা উদ্যোগসমূহক নতুন বজাৰত উপনীত হোৱাত সহায় কৰিব, যাৰ ফলত আঞ্চলিক অৰ্থনীতিৰ উন্নতি হ'ব। বৰ্তমান পথত (পকী আৰু কেঁচা) বানপানী, বৰিষা কালত পানী জমা হোৱা খহনীয়া, দুৰ্ঘটনাজনিত স্থান (Accident Black Spot), পক্ষৰ অপৰ্যাপ্ত প্ৰস্থ, পৃষ্ঠাৰ ক্ষতি (Surface Damage), চিহ্নৰ অভাৱ (Lack of Signage) আদি গুৰুতৰ সমস্যা আছে। পথ উন্নয়নৰ কামৰ সময়ত এই সকলোবোৰ সমস্যা পৰ্যাপ্তৰূপে সমাধান কৰা হ'ব। এই পথটোৰ ফলত যাত্ৰাৰ সময় ৰাহি হ'ব আৰু নিৰ্মাণকালত কৰ্মসংস্থাপন উপৰি মাটিৰ মূল্যবৃদ্ধি হ'ব। পৰ্যাপ্ত ক্ষতিপূৰণ দিলে গাঁওবাসীয়ে পথ উন্নয়নৰ বাবে নিজৰ মাটি আৰু সংস্থানৰ পৰা বিচ্ছেদ হ'বলৈ ইচ্ছুক। ই কেৱল উন্নত

স্বাস্থ্য আৰু শৈক্ষিক সুবিধা প্ৰদান কৰাই নহয়, অঞ্চটোৰ সাংস্কৃতিক আৰু পৰ্যটন কাৰ্যকলাপকো বিশেষ মাত্ৰা প্ৰদান কৰিব। এই পথ প্ৰকল্পই আমাৰ সমাজৰ দুৰ্বল শ্ৰেণীকো বাহ্যিক জগতৰ সৈতে মত-বিনিয়ম কৰাৰ সুয়োগ প্ৰদান কৰিব। পথ নিৰ্মাণ আৰু উন্নয়নৰ তাৎক্ষণিক সুবিধাসমূহ পথৰ কাষৰ জনগোষ্ঠীসমূহৰ বাবে আৰু বিশেষকৈ যিসকলে মজুৰি শ্ৰমিক, ক্ষুদ্ৰ ঠিকাদাৰ আৰু কেঁচামালৰ যোগানকাৰী হিচাপে নিয়োজিত হৈ আছে, তেওঁলোকৰ বাবে প্ৰত্যক্ষ নিয়োগৰ সুযোগৰ ৰূপত আহিব।

(ঢ) বিভিন্ন অংশীদাৰৰ সৈতে আলোচনা আৰু সামাজিক প্ৰভাৱ মূল্যায়নৰ ভিত্তি প্ৰকল্পটোৰ অনুভূত হ্ৰস্বম্যাদী বিৰূপ প্ৰভাৱ চিনাক্ত কৰা হৈছে আৰু এই বিৰূপ প্ৰভাৱসমূহৰ ক্ষতিপূৰণ কৰিবলৈ প্ৰশমন ব্যৱস্থাসমূহ আই পি পিত (IPP) প্ৰস্তাৱ কৰাহৈছে। ভূমি বিচ্ছিন্নতাকৰণৰ দীৰ্ঘম্যাদী প্ৰভাৱৰ বিষয়ে আৰ পি (RAP)ত বিতংভাৱে লোৱা হৈছে।

**ন) প্ৰশিক্ষণ আৰু সামৰ্থ বিকাশ ঃ** কৰ্মচাৰীসকলৰ প্ৰশিক্ষণ আৰু সামৰ্থ বিকাশ আই পি পিৰ সফল আৰু সময়মতে ৰূপাণৰ এক অবিচ্ছেদ্য অংগ। আই পি পিৰ বিধানসমূহ কাৰ্যকৰী কৰিবলৈ ঘৰুৱা সামৰ্থ শক্তিশালী কৰা। আৰ পি এফ/আই পি পিৰ বিধানসমূহ কাৰ্যকৰী কৰিবলৈ ঘৰুৱা সামৰ্থ শক্তিশালী কৰা। এই পি পি সফল ৰূপায়ণৰ বাবে প্ৰশিক্ষণৰ প্ৰয়োজন হোৱা ক্ষেত্ৰত কেন্দ্ৰীভূতি প্ৰশিক্ষণ মডিউল প্ৰশিক্ষণ কাৰ্যসূচীৰ সময়সূচী প্ৰস্তুত কৰা হৈছে। PMU আৰু PIU, PAPS আৰু লাইন বিভাগ SES, EES আৰু AES পৰ্যায়ত প্ৰশিক্ষণ প্ৰয়োজনীয়তাসমূহ চিনাক্ত কৰা হৈছে।

**ত) অভিযোগ প্ৰতিকাৰ ব্যৱস্থা ঃ** লিংগ প্ৰতিক্ৰিয়াশীল সাংস্কৃতিকভাৱে উপযুক্ত সামাজিক আৰু পৰিৱেশত দিশসমূহৰ ওপৰত বুজিব পৰা আৰু স্বচ্ছ প্ৰক্ৰিয়া ব্যৱহাৰ কৰি প্ৰস্তাৱিত সংশোধনীমূলক ব্যৱস্থাৰে অভিযোগকাৰীক গ্ৰহণ, স্বীকাৰ, মূল্যায়ন আৰু তেওঁলোকৰ সমাধানৰ সুবিধা প্ৰদান কৰিবলৈ এটা প্ৰকল্প নিৰ্দিষ্ট অভিযোগ প্ৰতিকাৰ (GRM) স্থাপন কৰা হ'ব আৰু ক্ষতিগ্ৰস্ত লোকৰ সকলো শ্ৰেণীৰ বাবে সহজে উপলব্ধ হ'ব। GRMৰ লক্ষ্য হ'ব প্ৰকল্পটোৰ সৈতে জড়িত সামাজিক আৰু পৰিৱেশগত উদ্বেগসমূহ সমাধানৰ বাবে সময়সীমা নিৰ্ধাৰণ আৰু স্বচ্ছ ব্যৱস্থা প্ৰদান কৰে। লাভ কৰা অভিযোগ গ্ৰহণ কৰা সংশোধনীমূলক ব্যৱস্থা আৰু ইয়াৰ ফলাফলৰ ৰেকৰ্ড সঠিকভাৱে ৰখা হ'ব লাগিব। যদিহে GRMৰ ৰায়দানত অসন্তুষ্ট হয় অভিযোগকাৰীয়ে আদালতৰ আশ্ৰয় ল'ব পাৰিব।

**থ) প্ৰতিষ্ঠানিক ব্যৱস্থা ঃ** অসম চৰকাৰৰ Public Works Roads Department (PWRD) কাৰ্যকৰী সংস্থা হ'ব। প্ৰকল্প ৰূপায়ণৰ বাবে দায়িত্বত থকা ব্যক্তি হিচাপে গুৱাহাটীস্থিত Project Mangement Unit (PMU)ৰ প্ৰকল্প সঞ্চালক (PD) হ'ব মুখ্য অভিযন্তা। 'অসম মালা' কাৰ্যসূচীৰ ন'ডেল বিষয়াৰূপে এজন কাৰ্যবাহী অভিযন্তাই PD PMU সহায় কৰিব। প্ৰকল্পটোৰ সামগ্ৰিক ৰূপায়ণ আৰু কাৰিকৰী তত্ত্বাৱধান, নিৰীক্ষণ তথা বিত্তীয় নিয়ন্ত্ৰণৰ বাবে PMU দায়বদ্ধ হ'ব। প্ৰ'গ্ৰেম ক'ৰ্ডিনেশ্বন এণ্ড মেনেজমেণ্ট কনছালটেণ্টে PD PMUক সহায় কৰিব। অসম মালা কাৰ্যসূচীৰ অধীনত সকলো প্ৰকল্প উপাদানৰ বাবে PWRDক উচ্চমানৰ কাৰিকৰী পৰামৰ্শ আৰু ৰূপায়ণত সহায় কৰিবলৈ এটা প্ৰগ্ৰেম ক'ডিণ্বেন এণ্ড মেজেমেণ্ট কনছালটেণ্ট (PCMC) সংগঠিত কৰা হৈছে। PIU পৰ্যায়ৰ বাবে এজন স্বতন্ত্ৰ ব্যাহিক মনিটৰ পৰামৰ্শদাতা (Independent External Monitors Consultant), আৰ পি ৰূপায়ণকাৰী সংস্থা (RP Implementing Agencies), কৰ্তৃপক্ষ অভিযন্তা, (Authirity Engineers) চুক্তি তত্ত্বাৱধান পৰামৰ্শদাতা (Contract supervision Consultants), অসামৰিক কাম ঠিকাদাৰ, (Civir work contractors), অন্যান্য ৰূপায়ণকাৰী সংস্থা নিযুক্তিৰ বাবে PMU দায়বদ্ধ হ'ব। PMU সামাজিক আৰু পুনৰ সংস্থাপন নিৰীক্ষণ প্ৰতিবেদন AIIBক দাখিল আৰু প্ৰকাশ কৰাৰ বাবে চৰকাৰী অনুমোদন বিচাৰিব। ইয়াৰোপৰি ই যিকোনো ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক সংস্থাসমূহৰ সৈতে সমন্বয় কৰি আন্তঃবিভাগীয় সমস্যাসমূহ সমাধান কৰিব। নিজ নিজ অধিকাৰ ক্ষেত্ৰত প্ৰকল্প সম্পৰ্কীয় সকলো কাৰ্যকলাপ ৰূপায়ণৰ বাবে লিখা/ সংমণ্ডল পৰ্যায়ত PIU স্থাপন কৰা হ'ব।

**দ) বাজেট সম্বন্ধীয় সুবিধা (বিধান) ঃ** IPPত ৰূপায়ণৰ বাবে আশিংক বাজেটৰ বিধানসমূহৰ RAP বৰ্ণনা কৰা Entitlement Matrix অনুসৰি বৰ্তমানৰ প্ৰাপ্যতাৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা হৈছে। জনজাতীয় জনসংখ্যাটো মুঠ স্থানান্তৰিত জনসংখ্যাৰ এটা অংশ বাবে এই বাজেট RAPত সামগ্ৰিক বাজেট প্ৰদান কৰা অনুসৰি IPP ৰূপায়ণৰ বাবে ব্যয়ৰ মূল তথ্যসমূহ তলৰ তালিকাত দিয়া হ'ব।

**ধ) পৰ্যৱেক্ষণ আৰু মূল্যায়ন ঃ** উপযুক্ত অগ্ৰগতি পৰ্যৱেক্ষণসূচক তৈয়াৰ কৰি IPP দ্বাৰা নিৰীক্ষণ কৰা হ'ব। এইটোৱে মূলতঃ সামাজিক বিষয়সমূহৰ ওপৰত প্ৰকল্পৰ প্ৰাৰম্ভিক প্ৰভাৱ মূল্যায়নৰ উপৰি শাৰীৰিক আৰু বিত্তীয় নিৰীক্ষণক সামৰি ল'ব। প্ৰকল্প মূল্যায়ন এটা বাহ্যিক সংস্থাই সম্পন্ন কৰিব যিয়ে IPP ৰূপায়নত মূল্যায়নৰ সম্পন্ন কৰাত নিয়োজিত হ'ব। প্ৰকল্প নিৰীক্ষণ দুটা স্তৰত গ্ৰহণ কৰা হ'ব আভ্যন্তৰীণ আৰু বাহ্যিক।

**ন)** IPP আৰু RAP প্ৰভাৱৰ উপৰি দুটা ডেলিভাৰেবলচ (Deliverables) ভিতৰত থাকিব Entitlement Matrix বাজেট Estimate (অনুমান), কাৰ্য পৰিকল্পনা, প্ৰশাসন ব্যৱস্থা, লিংগ কাৰ্য পৰিকল্পনা, অভিযোগ প্ৰতিকাৰ ব্যৱস্থা, খিলঞ্জীয়া লোক পৰিকল্পনা, শ্ৰম ব্যৱস্থাপনা পৰিকল্পনা, ব্যৱস্থা, কৰ্মচাৰী আৰু প্ৰশিক্ষণৰ প্ৰয়োজনীয়তা, নিৰীক্ষণ আৰু মূল্যায়ন ব্যৱস্থা, ক'ভিড-১৯ৰ পাছত পুনৰ কাম আৰম্ভ কৰাৰ বাবে EHSৰ গাইডলাইন আৰু SOP।